জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৭৪/২০২৩**

# পাইপ যোগে প্ৰাকৃতিক গেছ যোগানৰ উদ্দেশ্যৰে জইণ্ট ভেন্সাৰ কোম্পানীৰ বাবে চুক্তি স্বাক্ষৰ কৰিলে এ জি চি এল আৰু অইল ইণ্ডিয়া লিমিটেডে

## এই কোম্পানীয়ে অসমৰ ঔদ্যোগিক বিকাশক নতুন মাত্ৰা প্ৰদান কৰিব ঃ মুখ্যমন্ত্ৰী

## সেউজ ইন্ধন ভিত্তিক অসমৰ অৰ্থনীতিক গতিশীল কৰাৰ দিশত কোম্পানীয়ে গুৰুত্বপূৰ্ণ অৰিহণা যোগাব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৯ এপ্ৰিল ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত আজি অসম গেছ কোম্পানী লিমিটেড আৰু অইল ইণ্ডিয়া লিমিটেডৰ মাজত জনতা ভৱনত আয়োজিত এক অনুষ্ঠানত এক চুক্তি স্বাক্ষৰিত হয়। ইয়াৰ জৰিয়তে অসম আৰু ত্ৰিপুৰাৰ কিছু অংশত আপততঃ চহৰৰ প্ৰাকৃতিক গেছ বিতৰণ নেটৱৰ্ক স্থাপন, নিৰ্মাণ আৰু পৰিচালনাৰ বাবে এটা যৌথ উদ্যোগ প্ৰাইভেট লিমিটেড কোম্পানী স্থাপনৰ বাবে চুক্তিবদ্ধ হয়।

অসম চৰকাৰৰ অধীনস্থ এ জি চি এলৰ ৫১ শংতাশ চেয়াৰ ইকিউটি আৰু অইলৰ হাতত থকা বাকী ৪৯ শতাংশৰে গঠিত জইণ্ট ভেন্সাৰ কোম্পানীয়ে স্থানীয় প্ৰাকৃতিক গেছ গ্ৰীড নিৰ্মাণ আৰু ওদালগুৰি, শোণিতপুৰ, বিশ্বনাথ চাৰিআলি, লখিমপুৰ, ধেমাজি আৰু দৰঙৰ ঘৰুৱা তথা বাণিজ্যিক প্ৰতিষ্ঠানলৈ পাইপেৰে প্ৰাকৃতিক গেছ যোগান ধৰাৰ উপৰি ত্ৰিপুৰাৰ কেইখনমান জিলাতো কম্পপ্ৰেছড্ নেচাৰেল গেছ (চি এন জি ষ্টেশ্যন) স্থাপন কৰিব।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই আশা প্ৰকাশ কৰে যে এ জি চি এল আৰু অইলৰ মাজত স্বাক্ষৰিত চুক্তিয়ে বৰ্তমানৰ অসম চৰকাৰে ৰাজ্যখনৰ ঔদ্যোগিক উন্নয়নৰ দিশত চলাই থকা প্ৰক্ৰিয়াটোক অধিক ত্বৰান্বিত কৰি তুলিব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে অনুমোদিত চেয়াৰ কেপিটেল ৫০০ কোটি টকা আৰু প্ৰাৰম্ভিক পেইড আপ কেপিটেল ১০০ কোটি টকাৰে এই জইণ্ট ভেন্সাৰ কোম্পানীয়ে আগন্তুক দিনত ৰাজ্যৰ অৰ্থনৈতিক দিশটো শক্তিশালী কৰণত এক মাইলৰ খুঁটি হিচাপে পৰিগণিত হ'ব। মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে যে এই জইণ্ট ভেন্সাৰ কোম্পানীয়ে কেন্দ্ৰীয় চৰকাৰৰ উত্তৰ পূৱ হাইড্ৰ'কাৰ্বন ভিজন ২০৩০ৰ সৈতে সংগতি ৰাখি ৰাজ্যখনৰ সেউজ ইন্ধন ভিত্তিক অৰ্থনৈতিক দিশত পৰিৱৰ্তন সাধনতো বিশেষ ভূমিকা গ্ৰহণ কৰিবলৈ সক্ষম হ'ব।

মুখ্যমন্ত্ৰীয়ে কয় যে অইল ইণ্ডিয়া লিমিটেডে বহু দশক ধৰি ৰাজ্যখনৰ অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত

গুৰুত্বপূৰ্ণ অৰিহণা যোগাই আহিছে। আজি স্বাক্ষৰিত এই চুক্তিৰ জৰিয়তে অইলৰ উপাৰ্জনৰ এটা অংশ অসমৰ লগতে উত্তৰ পূৰ্বাঞ্চলৰ অন্যান্য প্ৰান্তত পুনৰ বিনিয়োগ কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে অইল ইণ্ডিয়া লিমিটেডক ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে সৌৰশক্তি স্থাপনৰ দৰে নতুন শক্তিৰ বিকাশৰ দিশত গ্ৰহণ কৰা পদক্ষেপৰ বাবেও অইলৰ শলাগ লয়।

আজিৰ এই অনুষ্ঠানত উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী বিমল বড়া, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, এ জি চি এলৰ অধ্যক্ষ বলীন চেতিয়া, অইলৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক ড° ৰঞ্জিত ৰথ প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**অঃহাঃ / হেঃশঃ**
**২৯/৪/২০২৩**